**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 31-03-2026 **Time :** 1100 Hrs.

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ধেমাজিৰ গোগামুখ আৰু বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে অসমত উপস্থিত হ'ব। ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

বিজেপিৰ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং কাইলৈ অসমলৈ আহিব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজ নিৰ্বাচনী প্ৰচাৰৰ বাবে যোৱানিশা যোৰহাটত উপস্থিত হৈছে।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ দেৱব্ৰত শইকীয়া, লুৰিণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। ২ এপ্ৰিলত কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীয়ে ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত ভাগ ল'ব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে।

A I M I M দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূব, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠনেত্ৰী তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত দলৰ সংকল্পপত্ৰ মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমতী সীতাৰমনে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যখনৰ উন্নয়নৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰে।

এই অনুষ্ঠানত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি দলৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ ৮৫ বছৰ বয়সৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি আৰম্ভ কৰা হয়। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা

হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰিটাৰ্নিং বিষয়াসকলে অনুমোদন দিয়া মুঠ ১৯ হাজাৰ ৭৭৪ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু ছহেজাৰ ৬৩৮ গৰাকী বিশেষভাৱে সক্ষম লোকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। অসমৰ উপৰি কেৰালাম আৰু পুডুচেৰীত ৫ এপ্ৰিলৰ পূৰ্বে এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ভোটগ্ৰহণকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ সময়ত কোনো ভোটদাতা বাসগৃহত উপস্থিত নাথাকিলে দ্বিতীয়বাৰৰ বাবে গৈ ভোটগ্ৰহণ কৰিব লাগিব বুলি কোৱা হৈছে।

কাৰ্বি আংলং জিলাত গৃহ ভোটদান প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হৈছে। জিলা প্ৰশাসনে চিনাক্ত কৰা দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাসগৃহলৈ গৈ বিষয়াসকলে ভোটগ্ৰহণৰ ব্যৱস্থা কৰিছে।

চিৰাং জিলাত আজিৰেপৰা এই ভোটদান প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। জিলাখনত মুঠ ৫১৯ গৰাকী ভোটদাতাই এই সুবিধা লাভ কৰিব।

দৰং জিলাতো বিধানসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

ooooooo

৯ এপ্ৰিলত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা আৰু ৬৬৩ গৰাকী পুৰুষ প্ৰাৰ্থী। আলগাপুৰ কাটলিছেড়া আৰু দক্ষিণ কৰিমগঞ্জ সমষ্টিত সৰ্বাধিক ১৫গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ বিপৰীতে ৰঙিয়া, জাগীৰোড, হোজাই, ন-দুৱাৰ, জোনাই, ডুমডুমা, মাহমৰা, টীয়ক আৰু লক্ষীপুৰ এই ৯ টা সমষ্টিত সৰ্বনিম্ন দুগৰাকীকৈ প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপিৰ ৯০ গৰাকী, কংগ্ৰেছৰ ৯৯, আম আদমী পাৰ্টিৰ ১৮, চি পি আইৰ ২, অসম গণ পৰিষদৰ ২৬, এ আই ইউ ডি এফৰ ৩০, ইউ পি পি এলৰ ১৮, অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ ২, ৰাইজৰ দলৰ ১৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই নিৰ্বাচনত ২৫৮ গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooo

গীত আৰু কাব্য সৃষ্টিৰে অসমীয়া সাহিত্য তথা সংগীতক সমৃদ্ধ কৰি থৈ যোৱা যশস্বী কবি-গীতিকাৰ কেশৱ মহন্তৰ আজি স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। গীত-কবিতাৰ লগতে সাংবাদিকতা আৰু শিক্ষাৰ ক্ষেত্ৰলৈও অনবদ্য অৱদান আগবঢ়োৱা মহন্তই ২০০৬ চনৰ আজিৰ দিনটোতে শেষ নিশ্বাস ত্যাগ কৰিছিল। 'মোৰ শুকান কলিজাত কুঁহিপাত আগন্তুক'কে ধৰি ৮খন কবিতা পুথি, ৯খন অনুবাদ সাহিত্য, 'মা আমি শদিয়ালৈ যামেই' আৰু অন্যান্য শিশু সাহিত্য, কমেও ১০খন চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে ৰ'দ জিকিমিকি, মোৰ যে কিমান হেঁপাহ, বুকুত এজাক ধুমুহাকে ধৰি ৫ খন গীতৰ পুথি ৰচনা কৰিছিল। আজি তেওঁৰ স্মৃতি দিৱস উপলক্ষে গুণমুগ্ধসকলে তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কেশৱ মহন্তৰ স্মৃতি দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত অসমীয়া সাহিত্য আৰু সংগীত জগতক এইজনা পুৰোধাই সৃষ্টিশীলতাৰে অনন্য উচ্চতালৈ লৈ গৈছিল বুলি প্ৰকাশ কৰি বৰেণ্য অসমীয়াগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooooo

**সমাপ্ত**